জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৭৮/২০২০

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অতীন্দ্ৰ কুমাৰ অধিকাৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩১ আগষ্ট ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অতীন্দ্ৰ কুমাৰ অধিকাৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত অতীন্দ্ৰ কুমাৰ অধিকাৰীয়ে ৰাজ্যৰ চিকিৎসা ক্ষেত্ৰলৈ যি অৰিহণা যোগাই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি ৰাজ্যৰ চিকিৎসা শিক্ষাৰ বিকাশৰ বাবে যথেষ্ট অৱদান আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট চিকিৎসকৰ বিয়োগ ৰাজ্যখনৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অতীন্দ্ৰ কুমাৰ অধিকাৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

পুঃডেঃ
৩১/০৮/২০২০